# খিলাফত

# শান্তি- ন্যায় বিচাৰ



পৱিত্ৰ ১১ সংখ্যক ৰাষ্ট্ৰীয় শান্তি সমাৰোহ লণ্ডনত আহমদীয়া মুছলিম জামাতৰ বিশ্বব্যাপি প্ৰধান খলিফাতুল মছীহ পঞ্চম হজৰত মির্জা মছৰুৰ আহমদৰ দ্বাৰা প্ৰদান কৰা মূল বক্তব্য

# খিলাফত
# শান্তি- ন্যায় বিচাৰ

পৱিত্ৰ ১১ সংখ্যক ৰাষ্ট্ৰীয় শান্তি সমাৰোহ,লণ্ডনত আহমদীয়া মুছলিম জামাতৰ বিশ্বব্যাপি প্ৰধান হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব খলিফাতুল মছীহ পঞ্চম (আইঃ)ৰ দ্বাৰা প্ৰদান কৰা মূল বক্তব্য

অমুবাদক ঃ ৰুবুল মাইবেলা নেইমচ গ্ৰুপ অফ কলেজ, যোৰহাট (অসম)

প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# প্ৰকাশকৰ কথা

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ) য়ে পৱিত্ৰ ১১ সংখ্যক ৰাষ্ট্ৰীয় সমাৰোহ লণ্ডনত ৮ নৱেম্বৰ ২০১৪ চনত প্ৰদান কৰা বক্তব্য অসমীয়ালৈ অনুবাদ মাননীয় ৰুবুল বাইবেলা চাহাব নেইমচ গ্ৰুপ অৱ কলেজ,ভাতেমৰা পথ যোৰহাট (অসম) কৰিছে ,আৰু **Review** মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা ( **President review** কমিটি অসম),মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা আৰু মজিবৰ ৰহমান ইনচাৰ্জ অসমীয়া ডেস্কে কৰিছে। আল্লাহ তায়লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান




# পৰিচয় পৰ্ব

**৮ নৱেম্বৰ ২০১৪** চনত আহমদীয়া মুছলিম জমাতৰ বিশ্বব্যাপি প্ৰধান, সন্মানীয় পঞ্চম খলিফা হজৰত মিৰ্জা মছৰুৰ আহমেদ চাহাবে **১১** সংখ্যক পৱিত্ৰ শান্তি সমাৰোহ, লণ্ডণত প্ৰদান কৰা গাম্ভীৰ্যপূৰ্ণ বক্তব্য। এই বক্তব্য প্ৰদানৰ ক্ষণত সন্মানীয়সকলৰ সন্মুখত তেখেতে মুকলিকৈ আইছিছ আৰু আন আন সন্ত্ৰাসবাদী গোটসমূহৰ কাৰ্যকলাপক সম্পূৰ্ণ ইছলাম বিৰোধী বুলি উল্লেখ কৰি অতি ক্ষোভেৰে কৈছিল- সমগ্ৰ বিশ্বত এই সকলে সন্ত্ৰাসবাদৰ জাল পেলাইছে। পৱিত্ৰ কোৰাণ শ্বৰিফৰ পৰা বহুতো উদ্ধৃতি প্ৰদান কৰি তেখেত উল্লেখ কৰে যে অতি পৱিত্ৰতাৰে ইছলামে প্ৰমাণ কৰিছে যে ইছলাম এটা শান্তিৰ ধৰ্ম, যি সমাজৰ সকলো স্তৰত সহনশীলতা, পাৰস্পৰিক শ্ৰদ্ধা আৰু বুজাবুজিৰ সৃষ্টি কৰে। লণ্ডনৰ বায়তুল ফুতুহ মছজিদত আয়োজন কৰা এই শান্তি সমাৰোহত সন্মানীয় চৰকাৰী মন্ত্ৰী,বিষয়-ববীয়াসকলৰ লগতে ৫৫০ৰো অধিক আহমদীয়া অতিথি, ৰাষ্ট্ৰদূতসকল, উভয় সদনৰ সাংসদসকল আৰু আন আন গণ্যমান্য ব্যক্তিসকলৰ সন্মুখত 'শান্তি সমাৰোহ'ৰ মূল বিষয়-'**খিলাফত শান্তি আৰু ন্যায়বিচাৰ**'ৰ ওপৰত আলোকপাত কৰি তেওঁ প্ৰশ্ন উত্থাপন কৰিছিল যে কেনেকৈ আইছিছৰ দৰে সংগঠনবিলাকক চলি আছে আৰু কিদৰে বৰ্তী থাকিবলৈ সুবিধা লাভ কৰিছে। এই সমাৰোহত চি.ই.অ' মেৰী মেলছ, ইউ.কে -এয়ে উন্নয়ন শীল বিশ্বৰ শিশুসকলৰ খাদ্য আৰু শিক্ষাদানৰ অৰ্থে

কৰি অহা প্ৰচেষ্টাৰ বাবে তথা শান্তিৰ ক্ষেত্ৰত আগবঢ়োৱা অৰিহণাৰ ‘আহমদীয়া বঁটা’ক বঁটা প্ৰদান কৰিব লাগে বুলি উল্লেখ কৰিছিল। মূল বক্তব্য প্ৰদান কৰাৰ আগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে চমু ভাষণ প্ৰদান কৰিছিল। সেইসকলৰ ভিতৰত আহমদীয়া মুছলিম জমাতৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সভাপতি ৰফিক হায়াত, উইম্বলগুনৰ লৰ্ড তাৰিক আহমেদ, জমাতৰ বিষয়-ববীয়া, সাংসদ তথা সৰ্বদলীয় সংসদীয় সদস্য, আহমদীয়া মুছলিম সমাজৰ সভাপতি চিৰভাইন মেকডোনাগ, সাংসদ এডডেভী, ইন্ধন আৰু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী আদিয়ে। লগতে মাননীয় জাষ্টিন গিনি, সাংসদ, আন্তঃৰাষ্ট্ৰীয় বিকাশৰ ৰাজ্যিক সম্পাদক আৰু মোষ্ট ৰেভাৰেণ্ট কেভিন মেকডোলাগু, চাউথৱাৰ্ক আৰ্চবিছপ ইমেৰিটাছয়ে এক বিশেষবাৰ্তা পাঠ কৰে।

# খিলাফত - শান্তি - ন্যায় বিচাৰ

## পৱিত্ৰ ১১সংখ্যক ৰাষ্ট্ৰীয় শান্তি সমাৰোহ,লণ্ডনত আহমদীয়া মুছলিম জামাতৰ বিশ্বব্যাপি প্ৰধান খলিফাতুল মছীহ পঞ্চম হজৰত মিৰ্জা মছৰুৰ আহমদৰ দ্বাৰা প্ৰদান কৰা মূল বক্তব্য

**শ্ৰদ্ধাৰ সন্বোধন ঃ**

তাশ্বাহুদ তাউজ আৰু বিছমিল্লাহ পাঠ কৰাৰ পিছতেই হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ (আইঃ)য়ে কয়, বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম পৰম কৰণাময় পৰম দানশীল আল্লাহৰ নামত।

**সকলো সন্মানিত অতিথিবৰ্গঃ**

আছ্ছালামু আলাইকুম ৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু— আপোনালোক সকলোৰৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

প্ৰথমতে মই এই বছৰৰ শান্তি সমাৰোহত উপস্থিত হোৱা সেই সকলো সতীৰ্থক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিম যি আমাৰ লগত মিত্ৰতা ৰক্ষা কৰি ঘনিষ্ঠ সম্পৰ্কক প্ৰদৰ্শন কৰি আজি ইয়াত উপস্থিত হৈ এই




সমাৰোহত নিশ্চিত ৰূপত মহত্বপূৰ্ণ আৰু সফল কৰি তুলিলে। আপোনালোক সকলো অৱগত যে এই সমাৰোহখনি যোৱা এক দশক

ধৰি প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা হৈছে তথা আহমদীয়া মুছলিম জামাতৰ কেলেণ্ডাৰত এয়া এক স্থায়ী বিষয় হিচাপে পৰিগণিত হৈছে। সাধাৰণতে আমি মাৰ্চ মাহত এই অনুষ্ঠানটো অনুষ্ঠিত কৰো, কিন্তু এইবাৰ বিভিন্ন কাৰণত নৱেম্বৰলৈকে ইয়াক অনুষ্ঠিত কৰাত বিলম্বিত হয়। আজি নিশাটো ৰাষ্ট্ৰীয় স্মৰণ দিৱস হোৱাৰ বাবে আমি যিসকল গণ্যমান্য ব্যক্তিক আমন্ত্ৰণ জনাইছিলোঁ সকলোৱে ইয়াত উপস্থিত থাকিব নোৱাৰিলে। যি কি নহওঁক যি আজি ইয়াত উপস্থিত হৈছে সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকে শান্তিৰ বিষয়ে শুনিবলৈ ইয়াত উপস্থিত হৈছে, তাকো এক নিৰ্দিষ্ট মুছলিম সম্প্ৰদায়ৰ দৃষ্টিকোণৰ পৰা, যিহেতু আজিৰ দিনত বিশ্বশান্তি আৰু বিশ্বত দেখা দিয়া দ্বন্দ্বৰ সম্পৰ্কত বহুতো কথা আমি ক'ব লগা আছে। অৱশ্যে বৰ্তমানৰ পৰিস্থিতি বিশ্বৰ অধিকাংশ ক্ষেত্ৰতে ভয় আৰু শংকাৰ কাৰণ হৈ পৰিছে। যদিও এয়া অতি দুখৰ বিষয় ইয়াক স্বীকাৰ কৰাত আমি কোনো দ্বিধাবোধ নকৰো যে বৰ্তমান বিশ্বত যি বিশৃংখলাই দেখা দিছে সেয়া নিৰ্দিষ্ট কিছু তথাতথিক মুছলমানৰ কামৰ বাবে, আচৰণৰ বাবে সংঘটিত হৈছে। যিকোনো শান্তিকামী মুছলমানে, যি তেওঁক বিশ্বাস কৰে, সেইসকলৰ বাবে অতি হতাশা আৰু দুখৰ কাৰণ। যোৱা এটা বছৰত এক বিশেষ সন্ত্ৰাসবাদীগোটে সমগ্ৰ বিশ্বত এক নেটৰ্ৱৰ্ক গঢ়ি তুলিছে, বিশ্বৰ বাবে এয়া বৃহৎ উদ্বেগৰ কাৰণ হৈ পৰিছে। মই সন্ত্ৰাসবাদীসকলৰ সেই গোটটোৰ বিষয়ে উল্লেখ কৰিছোঁ যাক সমগ্ৰ বিশ্বই আইছিছ বা আই এছ (ISIS or IS) নামেৰে জানি আহিছে বা পৰিচিত।

এই সন্তাসবাদী গোটটোৰ কৰ্মকাণ্ডই একমাত্ৰ মুছমানসকলকে প্ৰভাম্বিত কৰিছে এনে নহয় সমগ্ৰ ইউৰোপৰ দেশসমূহ আৰু আন আন দেশসমূহ সাধাৰণতে সন্ত্ৰাসবাদীৰ বৰ্বৰতাৰ দ্বাৰা প্ৰভাবিত হৈছে। মই ইউৰোপ তথা বিশ্বৰ আন আন দেশৰ বহুতো ক্ষোভিত মুছলিম যুৱকক দেখা পাইছোঁ যি বিশ্বাস কৰি লৈছে আইছিছে ইছলামৰ এখন সত্য চিত্ৰ উপস্থাপন কৰিছে আৰু তেওঁলোকৰ আদৰ্শক সমৰ্থন কৰিছে। এনেবোৰ


কাৰণতে যুৱকসকলে তেওঁলোকক সহায় কৰা বাবে আগবাঢ়ি আহিছে আৰু তেওঁলোকৰ লগত একেলগে যুদ্ধ কৰাৰ সংকল্প গ্ৰহণ কৰিছে। ইয়াতেই ইংলেণ্ড এক ঘোষণাত উল্লেখ কৰিছে যে ৫০০ শৰো অধিক যুৱকে আইছিছৰ হৈ যুদ্ধ কৰাৰ বাবে ইতিমধ্যে ছিৰিয়া আৰু ইৰাক ভ্ৰমণ কৰিছে। ইছলামৰ নামত এনে এখন যুদ্ধ বুলি সন্ত্ৰাসবাদীসকলে মিছাকৈ ঘোষণা কৰিছে আৰু আমি যদি এই তথাকথিত জিহাদৰ বাবে ইউৰোপৰ মুছলমানসকলৰ সংখ্যাৰ দিশটোলৈ লক্ষ্য কৰো তেন্তে যুক্তৰাজ্যৰ পৰা ইৰাক আৰু ছিৰিয়াৰ মুছলমানৰ অনুপাতে জাৰ্মানি আৰু আন আন ইউৰোপীয় দেশৰ ভ্ৰমণকাৰীৰ সংখ্যাতকৈ অধিক। এয়া অতি উদ্বেগজনক আৰু যুক্তৰাজ্যৰ বাবে বৃহৎ উদ্বেগৰ কাৰণ, আই এছ আই এছৰ আৰু তেওঁলোকৰ খলিফাৰ কৰ্মসূচী আৰু উদ্দেশ্যসমূহ অতি ভয়াবহ তথা বৰ্বৰ।

উল্লেখ কৰা হৈছে যে তেওঁলোকৰ খলিফাই কয় যে, তেওঁ বিশ্বৰ পৰা প্ৰতিশোধ লোৱাৰ বাবে, অঞ্চল আৰু জাতিসমূহক পৰাভূত কৰিব বিচাৰে। তেওঁ কৈছে যে মুছলমানসকলক সমগ্ৰ বিশ্বৰ অধিকাৰী কৰিব বিচাৰে আৰু সমগ্ৰ অমুছলমানক দাসত্বৰ শিকলি পিন্ধাব বিচাৰে আৰু তেওঁলোকৰ সম্পত্তিৰ সংখ্যা কম কৰিব বিচাৰে। যিকোনো ধৰণে, যিকোনো প্ৰকাৰে মুছলমানসকলে আপত্তি কৰিলেও প্ৰতিখন দেশৰ প্ৰতিজন ব্যক্তিৰ বাবে চৰিয়তৰ আইন প্ৰয়োগ কৰা উচিত, প্ৰতিজন ব্যক্তিৰ



বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত।

তেওঁলোকে আনধৰ্মৰ বা সম্প্ৰদায়ৰ মহিলাসকলৰ অধিকাৰ হৰণ




কৰিব বিচাৰে, দমন কৰিব বিচাৰে আৰু তেওঁলোকক উপপত্নী হোৱাৰ বাবে বাধ্য কৰিব বিচাৰে বা তেওঁলোকৰ পত্নী হ'বলৈ বাধ্য কৰে। আই এছ আই এছ-য়ে প্ৰতিটো ধৰ্মকে ধ্বংস কৰিব বিচাৰে, যি তেওঁলোকৰ বিশ্বাসৰ পৰিপন্থী হৈ পৰে। বৰ্তমানৰ মুছলিম চৰকাৰসমূহক বাদি দি আনসকলৰ পৰা ক্ষমতা কাঢ়ি ল'ব বিচাৰে। সেয়ে, এইসকলোবোৰ বিষয় যদি সত্য তেন্তে তেওঁলোকৰ কৌশল আৰু দৃষ্টি সুদুৰপ্ৰসাৰী তথা তেওঁলোকে বিশ্বশান্তি অনিষ্ট কৰিব বিচাৰে।

আই এছ আই এছ বা কোনো উগ্ৰপন্থী গোটে চুড়ান্ত ভাবে বিশ্বক দখল কৰিবলৈ সক্ষম হ'ব বুলি ভবাটো সম্পূৰ্ণ অযুক্তিকৰ, কিয়নো এই বিষয়টো সম্পূৰ্ণ স্পষ্ট যে কিয়নো তেওঁলোকৰ পৰিকল্পনাবোৰ বাস্তৱতাকৈ ইচ্ছাকৃত চিন্তাৰ ওপৰত অধিক নিৰ্ভৰশীল। তথাপিও এই বিলাকক তথা সিহঁতৰ ট্ৰাকবোৰৰ গতি এতিয়াই যদি মন্থৰ কৰিব পৰা নাযায়, তেন্তে সিহঁততো মৃত্যুপথৰ যাত্ৰী,তাৰ আগতে সিহঁতে বহু ক্ষতি আৰু ধ্বংস যে নকৰিব এনে নহয়। আমি বহুতো সন্ত্ৰাস, বহুতো ধ্বংসযজ্ঞ প্ৰত্যক্ষ কৰিছোঁ কোনো একক ব্যক্তিৰ, কোনো সমৰ্থন বা সহযোগিতা নথকাকৈ। উদাহৰণ হিচাপে কেইমাহমানৰ আগতে যুক্তৰাষ্ট্ৰৰ এখন বিদ্যালয়ত গুলীয়াগুলিৰ দৰে কৰুণ


এক ঘটনা সংঘটিত হয়। এই কৰুণ ঘটনাত বহুতো নিৰীহ শিশুৰ মৃত্যু হয়। এয়া এজন ব্যক্তিৰ জঘন্য আচৰণ। গতিকে সন্ত্ৰাসবাদীসকলে হতাশ আৰু অস্থিৰ মানুহক একত্ৰিত কৰিছে যি এনে অন্যায় কাৰ্যৰ বাবে নিজৰ জীৱন দিব পাৰে। তেন্তে ভাৱক এয়া কিমান সেই সন্ত্ৰাসবাদীসকলৰ কিমান দুৰ্দশা আৰু ধ্বংসৰ কাৰণ হ'ব পাৰে।

এয়া একেবাৰে সত্য যে এই গোটবোৰ একমাত্ৰ আগ্ৰসী লোকসকলৰে নহয়, তেওঁলোক পৰিশালীত অস্ত্ৰৰ পদ্ধতি আৰু অস্ত্ৰৰ দ্বাৰাও বিপদজনক ভাবে সজ্জিত। আনফালেশেষলৈ তেওঁলোকে পাৰমাণৱিক অস্ত্ৰলৈকে আহৰণ কৰিব পাৰে এনে সম্ভাৱনা নথকা নহয়। মই যিদৰে উল্লেখ কৰিছোঁ এই অস্বচ্ছল দলবিলাকে স্থায়ী বা দীৰ্ঘস্থায়ী সফলতা অৰ্জন কৰিব নোৱাৰে। গতিকে এইবিলাক সকলো কম সময় সম্ভৱ হয়তো তেওঁলোকে নিৰ্দিষ্ট অঞ্চলবিলাকক জয় কৰিব পাৰে আৰু বিশাল ধ্বংস সাধন কৰিব পাৰে। যেতিয়া এই সকলোবিলাক বিবেচনা কৰা হয়, তেতিয়া আই এছ এছ বা আন এনে ধৰণৰ মতাদৰ্শৰ কোনো আন সংগঠনৰ বাবে বিশ্ব ভাবুকিৰ সন্মুখীন হৈছে তাক কেন্দ্ৰ কৰি সন্দেহ থকাৰ কাৰণ থাকিব নোৱাৰে।

এয়া সত্য যে এইসকলোবিলাক ইছলামৰ নামত কৰা হৈছে আৰু এয়া সকলো সত্য আৰু শান্তিকামী মুছলমানৰ শোক আৰু বেদনাদায়ক কাৰণ। এনেধৰণৰ নৃশংতা আৰু অমানবীয় মতাদৰ্শৰ ধৰ্মৰ লগত কোনো সম্পৰ্ক নাই। বৰঞ্চ সকলো উপায় অৱলম্বন কৰি, প্ৰতিটো স্তৰত ইছলামৰ প্ৰকৃত শিক্ষা, সকলো মানুহৰ বাবে শান্তি আৰু সুৰক্ষাৰ স্বাৰ্থত আমি যদি পৱিত্ৰ কোৰাণৰ আৰু ইছলামৰ নবী, মহানবী হজৰত মহম্মদ (ছাঃ)ৰ জীৱন চৰিত্ৰৰ দিশে দৃষ্টি নিক্ষেপ কৰো তেতিয়া স্পষ্ট হৈ পৰে যে আদি মুছলমানসকলে কেতিয়াবা কোনো যুদ্ধ বা হিংস্ৰ কাৰ্য কৰা নাছিল। মুছলমানসকলে যদিকোনো যুদ্ধত অংশগ্ৰহণ কৰে তেন্তে সেয়া নিখুট ৰক্ষণাত্মক আছিল আৰু তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য আছিল

অত্যাচাৰীসকলক সিহঁতৰ নিষ্ঠুৰতাৰ পৰা আঁতৰত থোৱা আৰু সেই

সকলৰ নিজৰ নিষ্ঠুৰতা প্ৰতিপন্ন কৰা বা অন্যায়ৰ প্ৰতিৰোধ কৰা। তেওঁলোকে কেতিয়াও মাটি জাতি দখল কৰিবলৈ বা জনগণক পৰাধীন কৰাৰ চেষ্টা কাৰ নাছিল। মহানবী হজৰত মহম্মদ (ছাঃ)ৰ জীৱন প্ৰৱাহে এই কথা সাক্ষ্য দিয়ে যে তেখেত নিজৰ চহৰ মক্কাত তেখেতৰ নবুয়তৰ প্ৰথম বছৰবোৰত কেৱল মৰম আৰু চেনেহৰ মাজেৰে ইছলামৰ প্ৰচাৰ কৰাৰ চেষ্টা কৰিছিল। কিন্তু মক্কাবাসীয়ে তেখেতক প্ৰত্যাখানেই কৰা নাছিল,বৰঞ্চ তেখেতৰ সৈতে অতি নিষ্ঠুৰ আৰু নিৰ্দয় আচৰণ কৰিছিল। তেখেত আৰু তেখেতৰ অনুগামীসকল নিৰ্মম ভাবে অত্যাচাৰিত হৈছিল। আননালাগে মহানবী (ছাঃ)য়ে মক্কা ত্যাগ মদিনালৈ আঁতৰি যাব লগা হৈছিল। হিজৰতৰ পিছতো মক্কাত মুছলমান সকলক এৰি দিয়া হোৱা নাছিল, সম্পূৰ্ণ সজ্জিত সেনাবাহিনীলৈ ঘূৰি ফুৰিছিল আৰু মুছলমানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিছিল। ইয়াৰ পিছত প্ৰথমবাৰৰ বাবে আল্লাৰ নিৰ্দেশত মুছলমান সকলক নিজক ৰক্ষা কৰিবলৈ যুদ্ধ কৰাৰ অনুমতি দিয়া হৈছিল।



Permission to fight is given to those against whom war is made, because they have been wronged — and Allah indeed has power to help them — Those who have been driven out from their homes unjustly only because they said, 'Our Lord is Allah' — And if Allah did not repel some men by means of others, there would surely have been pulled down cloisters and churches and synagogues and mosques, wherein the name of Allah is oft commemorated. And Allah will surely help one who helps Him. Allah is indeed Powerful, Mighty — *(Al-Hajj: 40,41)*

অনুমতি প্ৰদানৰ কাৰণ কোৰাণ শ্বৰিফৰ **২২** অধ্যায় আয়ত ৪০-৪১ ত স্পষ্টভাবে বৰ্ণিত আছে যে এখন প্ৰতিৰক্ষামূলক যুদ্ধৰ অনুমতি দিয়া হৈছিল কাৰণ মুছলমানসকলে নিজকে যদি ৰক্ষা নকৰে তেতিয়া সমগ্ৰ পৃথিৱীত শান্তি ৰক্ষা কৰা অসম্ভৱ হৈ পৰিব। আচলতে বিদ্ৰোহীসকলে একমাত্ৰ মুছলমানকে নিৰ্মুল কৰিব বিচৰা নাছিল, তেওঁলোকে বিশ্বৰ পৰা সকলো ধৰ্মকে নিঃশেষ কৰাৰ চেষ্টা কৰিছিল। গতিকে কোৰাণৰ ফালৰ পৰা উল্লেখ কৰা হৈছে যে যদি অনুমতি দিয়া নহ'লহেতেঁন তেন্তে গীৰ্জা, মন্দিৰ, মছজিদ আন কোনো উপাসনাৰ গৃহ সুৰক্ষিত হৈ নাথাকিলেহেঁতেন । বৰ্ণিত আয়াত

অনুসৰি মুছলমানসকলক কেৱল ইছলামক ৰক্ষা কৰিবলৈ নহয়, ধৰ্মক ৰক্ষা কৰাৰ বাবে পুনৰ যুদ্ধ কৰাৰ অনুমতি দিয়া হৈছিল।

ইয়াৰ দ্বাৰা আপোনালোকে নিজেই বুজিব পাৰিছে যে আজিৰ তথাকথিত মুছলমানে যেতিয়া দাবী কৰে যে অমুছলিমসকলক হত্যা কৰাটো বৈধ, তেতিয়া সেয়া কিমান ভুল, অন্যায়, আনৰ মাটি দখল কৰা,আনক দাসত্ব কৰা। প্ৰকৃততে ইছলাম হ'ল এনে এটা ধৰ্ম যি প্ৰতিজন ব্যক্তিৰ স্বাধীনতা আৰু স্বাধীন ভাবে জীয়াই থকাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰে। তথা ইছলাম এনে ধৰ্ম যি বিশ্বাস বা পটভূমি নিৰ্বিশেষে প্ৰতিজন ব্যক্তিক শান্তিত আৰু সম্প্ৰীতিত জীয়াই থকাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰে।

মই আগতে উল্লেখ কৰিছোঁ মহানবী (ছাঃ) কেনেকৈ তেখেতৰ অনুসাৰীসকলৰ লগত মদিনাত কেনেকৈ হিজৰত কৰিছিল আৰু কেনেকৈ মুছলমানসকলে স্থানীয় সমাজৰ লগত নিজকে জড়িত কৰিছিল, তেওঁলোক কেনেকৈ নতুন সমাজত অভিবাসন আৰু সংহত হোৱাৰ এক নিখুঁত আদৰ্শ হৈ পৰিছিল। মুছলমানৰ আগমনৰ পূৰ্বে দুটা প্ৰধান দ'লে মদিনা চহৰত বসবাস কৰিছিল-ইহুদী আৰু আৰব। মুছলমানৰ আগমনৰ পিছত তিনিটা দ'ল হৈ পৰে মুছলিম, ইহুদী আৰু অমুছলিম আৰবীয়। মহানবী (ছাঃ)য়ে তাৎক্ষণিকভাবে কৈছিল যে তেওঁলোক সকলোৱে মিলাপ্ৰীতিৰে আৰু শান্তিৰে বসবাস কৰাটো আৱশ্যক, সেয়ে তেওঁ তেওঁলোকৰ মাজত শান্তি চুক্তিৰ প্ৰস্তাৱ দিছিল। এই চুক্তিৰ চৰ্তবোৰ অনুসৰি প্ৰতিটো গোষ্ঠী বা প্ৰতিটো গোত্ৰক যথাযথ ভাবে অধিকাৰ দিয়া হৈছিল। সকলো পক্ষৰ জীৱন আৰু সম্পত্তিৰ নিশ্চয়তা আছিল, যিকোনো পূৰ্ব বিদ্যমান আন্ত-উপজাতি প্ৰথাও সন্মানিত হৈছিল। লগতে এয়াও একমত হৈছিল যে যদি কোনোবাই মক্কাৰ পৰা ক্ষতি বা দুষ্টামি কৰাৰ অভিপ্ৰায় লৈ থাকে তেন্তে তেওঁক মদিনাৰ পৰা অৰণ্যলৈ পঠোৱা হ'ব আৰু তেওঁলোকৰ লগত কোনো ধৰণৰ চুক্তি কৰা নহ'ব। যদি এজন সাধাৰণ শত্ৰুৱে মদিনাক আক্ৰমণ কৰে তেতিয়া

তিনিটা দল একগোট হৈ চহৰখনক একক হিচাপে ৰক্ষা কৰিব। যদিও ইয়াত কোৱা হৈছিল অমুছলিমসকলে যদি মদিনাৰ বাহিৰত কেতিয়া আক্ৰমণ বা যুদ্ধ কৰিব লগা হয়, তেতিয়া মুছলমানসকলৰ আশে-পাশে কোনো যুদ্ধ কৰিব নোৱাৰিব। তদুপৰি ইহুদী আৰু আনদলবিলাকৰ লগত এই চুক্তি কৰা হৈছিল তেওঁলোকে মুছলমানসকলক সন্মান কৰিব। ইহুদীয়ে নিজৰ ধৰ্মৰ দ্বাৰা আৰু মুছলমানসকলে তেওঁলোকৰ ধৰ্মৰ দ্বাৰা জীয়াই থাকিব। তিনিটা দল যেতিয়া এই চুক্তিৰ দ্বাৰা স্বাক্ষৰিত তেতিয়া ইয়াৰ বাহিৰেও পাৰস্পৰিক সন্মান প্ৰদানৰ মাধ্যমেৰে একমত হৈছিল যে হজৰত নবী কৰিম (ছাঃ) ৰাষ্ট্ৰপ্ৰদান হিচাপে কাৰ্যনিৱাস কৰিব। যিকিনহওঁক মই আগতে উল্লেখ কৰিছোঁ ইহুদীসকল চৰিয়তৰ দ্বাৰা আৱদ্ধ হোৱা নাছিল, তেওঁলোক কেৱল ইহুদী আইন আৰু ৰীতিৰ দ্বাৰা আৱদ্ধ আছিল। এয়া আছিল পৱিত্ৰ প্ৰতিষ্ঠাতাৰ সহিযুঃতা আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ নিঁখুত উদাহৰণ। আজিৰ আই এছ আই এছ য়ে দাবী কৰিছে যে তেওঁলোকৰ ধৰ্ম বা পটভূমিৰ নিৰ্বিশেষে প্ৰতিজন ব্যক্তিৰ ওপৰত চৰিয়তৰ আইন প্ৰয়োগ কৰা হ'ব। সেই সময়ত মহানবী (ছাঃ)য়ে সেই চুক্তিৰ দ্বাৰা নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। ইয়াত স্পষ্ট ভাবে উল্লেখ কৰা হৈছিল যে কোনো মহিলাক বলপূৰ্বক ভাবে তেওঁৰ ঘৰৰ পৰা বা ইচ্ছা অবিহনে আঁতৰ কৰিব নোৱাৰিব। গতিকে আইছিছে দাবী কৰাটো কেনেকৈ শুদ্ধ হ'ব পাৰে অমুছলিম মহিলা সিঁহতৰ সম্পত্তি হিচাপে বিবেচনা কৰিব পৰা যায়? চুক্তি অনুসৰি কোনো ব্যক্তিক কেতিয়াও ইছলাম গ্ৰহণ কৰিবলৈ বাধ্য কৰা নহ'ব। বৰঞ্চ ইয়াক স্পষ্ট ভাবে উল্লেখ কৰা হৈছিল ইহুদী, অমুছলিম আৰু মুছলমানসকলে মদিনাত প্ৰেম আৰু দয়াসহ একোজন ককাই-ভাইৰ দৰে আচৰণ কৰিব। অৰ্থাৎ এই চুক্তিৰ সংক্ষিপ্ত সাৰৰ্মম যি মুছলমানসকলৰ আগমনৰ পিছত মদিনাৰ সমাজত চুক্তিৱদ্ধ হৈছিল। ইতিহাসে সাক্ষী দিয়ে যে মুছলমান সকলে এই চুক্তিৰ পাছত চুক্তিখনক অনুসৰণ কৰিছিল। যদি কেতিয়া চুক্তি লঙ্ঘিত হৈছিল সেয়া আন পক্ষৰ পৰাহে কৰা হৈছিল। মদিনাৰ গৃহীত

নেতা হিচাপে মহানবী (ছাঃ)য়ে কেতিয়াবা কেতিয়াবা ভাবিছিল যে ব্যক্তি বা গোষ্ঠী যি চুক্তি অমান্য কৰিছে তাৰ বিৰুদ্ধে কেনেধৰণৰ আচৰণ কৰা হ'ব। এনে ধৰণৰ তিৰস্কাৰবোৰ চুক্তিৰ চৰ্তাৱলী অনুসৰি মুঠৰ ওপৰত দিয়া হৈছিল বা কোনো অন্যায়ৰ কাৰণে দিয়া হোৱা নাছিল। সেয়ে ইছলামী চৰকাৰৰ প্ৰকৃত প্ৰকাশ, হজৰত মহম্মদ ছাল্লাল্লাহু আলাইহি ওৱা ছাল্লামে নিৰ্দেশন দি গৈছে। ইয়াক অনুকৰণ কৰা হৈছিল৪গৰাকী পথপ্ৰদৰ্শক খলিফাৰ দ্বাৰা তথা ইছলামৰ প্ৰথম শতাব্দীত।

সেয়ে আজি যদি আই এছ আই এছৰ বা কোনো মুছলিম চৰকাৰে সত্য, ন্যায়-বিচাৰ আৰু সাম্যবাদৰ এই নীতিসমূহৰ বিৰুদ্ধে কাম কৰে তেন্তে তেওঁলোকে কেৱল নিজৰ বা ৰাজনৈতিক স্বাৰ্থপূৰণৰ বাবেই তাক কৰিব। আননালাগে তেওঁলোকে যদি ইছলামৰ নামত কাম কৰা বুলি দাবী কৰে তেন্তে সত্যটো হ'ল তেওঁলোকৰ কামৰ ইছলামৰ লগত কোনো সম্পৰ্ক নাই বা মহানবী (ছাঃ) সেই শিক্ষা দিয়া নাই।

পৱিত্ৰ নবীসকলৰ আৰ্বিভাৱৰ পূৰ্বৰ আৰবৰ ইতিহাসলৈ যদি আমি মন কৰো তেন্তে দেখিম যে এনে এখন সমাজ আছিল য'ত প্ৰতিটো উপজাতিয়ে নিজৰ দাবী দাঙি ধৰাৰ চেষ্টা কৰিছিল যুদ্ধ আৰু ৰক্তপাতৰ মাজেৰে অধিকাৰ বিচাৰি। তথাপি সেই একেখন সমাজক মহানবী (ছাঃ) য়ে এক বিপ্লৱ সংঘটিত হোৱা দেখিছিল যাৰ দ্বাৰা বিচাৰ-বিবেচনাৰ যথাযথ ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। য'ত প্ৰতিটো দলক নিজস্ব পৰম্পৰাগত ঐতিহ্য বা ধৰ্মীয় বিশ্বাস অনুসৰি আচৰণ কৰা হৈছিল। যদি কোনোবাই সচেতন আৰু নিৰপেক্ষভাবে প্ৰাথমিক ইছলামী ইতিহাস অধ্যয়ন কৰে, তেতিয়া তেওঁ বা তেওঁলোকে দেখিবলৈ পাব যে মহানবী (ছাঃ)ৰ তথা তেখেতৰ ৪ জন উপযুক্ত খলিফাৰ প্ৰাথমিক যুগত মুছলমানৰ আচৰণ অনবদ্য আছিল।

তেওঁলোক কেতিয়াও যুদ্ধৰ আগ্ৰহী নাছিল আৰু তেওঁলোকে কেতিয়াওঁ দেশ জয় কৰাৰ চেষ্টা কৰা নাছিল। য'ত তেওঁলোকে সম্পূৰ্ণ শান্তিপূৰ্ণ উপায়ৰ প্ৰচাৰৰ মাধ্যমেৰে নিজৰ ইছলামীক শিক্ষাবোৰ প্ৰদান

কৰাৰ চেষ্টা কৰিছিল। উদাহৰণ স্বৰূপে ইছলাম চীন আৰু দক্ষিণ ভাৰতৰ অঞ্চলবোৰত বিয়পি পৰিছিল, এতিয়াও ইতিহাসক ক'তো উল্লেখ পোৱা নাযায় যে কোনো মুছলিম সেনা বাহিনীয়ে কোনোবা দেশক ধৰ্মৰ বাবে আক্ৰমণ কৰিছিল, বৰঞ্চ শান্তিৰ মাধ্যমেৰে যিবিলাক দেশত আৰু আন আন জাতিৰ মাজত বিয়পি পৰিছিল। পৰৱৰ্তী সময়ত কোনোবা কোনোবা মুছলিম ৰাজ্যত বিভিন্ন কাৰণত যুদ্ধৰ সূচনা হৈছিল, যাৰ বাবে একমাত্ৰ তেওঁলোকক দায়ৱদ্ধ কৰিব পৰা নাযায়। কিন্তু যুদ্ধ বন্দী সকলক বা পৰাজিত হোৱা দেশক ইছলাম গ্ৰহণ কৰাৰ বাবে কোনো ধৰণৰ বল প্ৰয়োগ কৰা হোৱা নাছিল। অৱশ্যেই পৱিত্ৰ কোৰাণ শ্বৰিফে এনেধৰণ শিক্ষা প্ৰত্যাখান কৰে আৰু কেৱল শান্তি প্ৰচাৰৰ শিক্ষা দিয়ে।

যিমানখিনি মই ইতিমধ্যে উল্লেখ কৰিছোঁ, য'ত আল্লাই ৰক্ষাত্মক ধৰ্মীয় যুদ্ধৰ অনুমতি দিছে, তাত কেৱল ইছলামকে নহয় সমগ্ৰ ধৰ্মক ৰক্ষা কৰাৰ উপায় হিচাপে দিছিল। কোৰাণৰ বিভিন্ন আয়াতত মহান আল্লাহ তালাই যুদ্ধৰ বিভিন্ন নীতিৰ বিষয়ে উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে **২** অধ্যায় **১৯১** নং আয়াতত আল্লাই প্ৰতিৰক্ষা যুদ্ধৰ মূলনীতি প্ৰতিষ্ঠা কৰিছে যাৰ মাজেৰে তেওঁ মাথোন সেইসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ কৈছে যি নিজৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰে তথা কেতিয়াও সীমা অতিক্ৰম নকৰে বা নিষ্ঠুৰ আচৰণ নকৰে, কাৰণ আল্লাই অন্যায় কৰাসকলক ভাল নাপায়। পুনৰ **১৬** অধ্যায় **১২৭** নং আয়াতত সৰ্বশক্তিমান আল্লাই যুদ্ধৰ সময়ত সীমা অতিক্ৰম কৰিবলৈ বা সীমা পাৰ হোৱাৰ অনুমতি দিয়া নাই। আল্লাই কৈছে যে কোনো শাস্তি অৱশ্যে তোমালোকৰ লগত যি পৰিমাণৰ অবিচাৰ কৰা হৈছে সেই পৰিমাণৰ অবিচাৰ তেওঁৰ লগতো সামানে কৰা হ'ব।

**২** অধ্যায় **১৯৪** নং আয়তত আল্লাই কৈছে যে যুদ্ধৰ সময়ত অশান্তি আঁতৰ নোহোৱালৈকে আৰু ধৰ্ম কেৱল আল্লাহৰ নিমিত্তে প্ৰতিষ্ঠিত নোহোলৈকে সিহঁতৰ সৈতে যুদ্ধ কৰিবা। এই বুলি কোৱা হৈছে যে অত্যাচাৰী যদি বিৰত নহয় আৰু ৰোগটো যদি শেষ হৈ পৰে, তেওঁলোকৰ

বিৰুদ্ধে কোনো বৈৰিতা প্ৰকাশ কৰা উচিত নহয়।

**৮** অধ্যায়ৰ **৬২** নং আয়াতত মহান আল্লাহ তালাই কৈছে যে অত্যাচাৰীয়ে যদি শান্তিৰ দিশে অৱনমিত হয় আৰু সিহঁতে মিলনৰ অৰ্থে হাত আগবঢ়াই দিয়ে, তেন্তে মুছলমানসকলে এইটো উপলব্ধি কৰা উচিত আৰু তেওঁলোকে আন্তৰিকতাই কৰিছে নে তাক প্ৰশ্ন কৰা উচিত নহয়।

তেনেদৰে **৯** অধ্যায়ৰ **৪** নং আয়াতত পৱিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে যে মুছলমানসকলে মুছৰিকসকলৰ (অংশীবাদীসকলৰ) লগত যি চুক্তিত স্বাক্ষৰিত হ'ব তাক পূৰণ কৰিব যদি আগলৈ সেই সকলে আক্ৰাত্মাক ভাবে কাম নকৰে বা পাৰস্পৰিত চুক্তিবোৰ তেওঁলোকৰ ফালৰ পৰা পালন কৰা নহয়। ইয়াত ন্যাৰ্যতাৰ প্ৰয়োজন তথা আল্লাই সৎকৰ্মশীল সকলক ভালপায়।

**৫** অধ্যায়ৰ **৯** নং আয়াতত আল্লাহ তালাই মুছলমান সকলক সদায় নিৰপেক্ষ আৰু ন্যায় বিচাৰৰ মাজেৰে যুঁজ কৰাৰ নিৰ্দেশ দিছে, আননালাগে যুদ্ধ চলি থকাৰ অৱস্থাতো। আল্লাহে কৈছে যে যিকোনো জাতি বা জনগণৰ শত্ৰুৱে কেতিয়াবা এজন মুছলমানক অন্যায়ৰ আচৰণ কৰাৰ বাবে নেতৃত্ব দিব নোৱাৰে যিটো ন্যায়পৰায়ণতাৰ পৰিপন্থী।

**৮** অধ্যায়ৰ **৬৮** নং আয়াতত আল্লাহ তালাই উল্লেখ কৰিছে যে, নবীৰ পক্ষে যুগত নহয়,তেওঁ শত্ৰুপক্ষৰ মানুহক বন্দী কৰে। এনে কৰিলে ইয়াকে বুজাব যে ঈশ্বৰৰ ভাল পোৱাৰ পৰিৱৰ্তে তেওঁলোকে কেৱল ধন-সম্পদ বা শক্তিৰ বাবেই যত্নৱান আছিল। গতিকে ইয়াত স্পষ্ট ভাবে প্ৰমাণিত হৈছে যে যুদ্ধৰ বাহিৰত কাকো বন্দী হিচাপে থোৱাটো নিষিদ্ধ তথাপি আমি দেখিবলৈ পাইছোঁ যে এই তথাকথিত ইছলাম পন্থীসকলে অসংখ্য নিপৰাধী লোকক বলপূৰ্বক ভাবে বন্দী কৰি থৈছে আৰু উপায়হীন মহিলাসকলক উপপত্নী কৰি ৰাখিছে।

**৪৭** অধ্যায়ৰ **৫** নং আয়াতত আল্লাহ তালাই উল্লেখ কৰিছে যে যুদ্ধৰ সমাপ্তিৰ পিছত যুদ্ধ বন্দীসকলক মুক্তি দিয়া উচিত। এই আয়াতত আল্লাই

কৈছে যে তেওঁলোকক শকত অংকৰ টকাৰ বিনিময়ত মুক্তি দিয়া উচিত নতুবা তেওঁলোকক দয়া আৰু অনুগ্ৰহ কৰি মুক্তি দিয়াটো অধিক উত্তম। গতিকে যুদ্ধ শেষ হ'লে বন্দী সকলক মুক্তি দিয়াটো উচিত তথা এয়া পুৰুষ-মহিলা উভয়ৰ ক্ষেত্ৰতে প্ৰযোজ্য। আদি যুগত মহিলাসকলে যি পুৰুষে যুদ্ধ কৰিছিল তেওঁলোকক যুদ্ধৰ ক্ষেত্ৰত যুদ্ধ কৰাৰ বাবে সমৰ্থন আৰু অনুপ্ৰেৰণা দিছিল আৰু এইদৰে মহিলাসকল বন্দী হোৱাৰ দায়বদ্ধতা আছিল। কোৰাণত অৱশ্যে স্পষ্ট ভাবে উল্লেখ কৰা হৈছে কোনো মহিলাৰ লগত কোনো কাৰণতে কেতিয়াও নিষ্ঠুৰ আচৰণ কৰিব নালাগে, কোনো ধৰণে ইয়াক অমান্য কৰিব নালাগে।

এজন বন্দীক মুক্তিদানৰ ক্ষেত্ৰত অৰ্থ প্ৰদান কৰাৰ সন্দৰ্ভত ২৪ অধ্যায়ৰ ৩৪ নং আয়াতত কোৰাণ শ্বৰিফত উল্লেখ কৰা হৈছে যে কোনো ব্যক্তিয়ে যদি বন্দীক মুক্তি দিবলৈ সক্ষম নহয়, তেতিয়া তেওঁক অংশকালীন হিচাপে পৰিশোধ কৰা উচিত আৰু সেই ব্যক্তিক মুক্তি দিয়া উচিত। যুদ্ধ বন্দীক মুক্ত কৰাৰ সন্দৰ্ভত এই আয়াত বোৰক যুদ্ধৰ প্ৰসংগৰে বুজি উঠা উচিত, সেই সময়ত যুদ্ধ কৰা ব্যক্তিয়ে নিজা এক ব্যয় কৰে বা নিজৰ অস্ত্ৰলৈ আহে তথা তেওঁলোকক বন্দীক মুক্ত কৰাৰ বিনিময়ত অৰ্থ প্ৰদান কৰাৰ অনুমতি দিয়া হৈছে। যিকিনহওঁক আজিৰ চৰকাৰসমূহত যিসকলে এই অভিযানসমূহৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰে, তাত সৈন্যৰকোনো ব্যক্তিগত ব্যয় নহয়। সেয়েহে, যুদ্ধ বন্দী সকলৰ লগত কেনে ধৰণৰ ব্যৱহাৰ কৰিব লাগে এই বিষয়টো চৰকাৰ বা আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে পৃথককৈ সৈনিকসকলৰ বাবে নিৰ্দ্ধাৰিণ কৰে, নতুবা কয়দীৰ বিনিময় কাৰ্যসূচী পৰিচালনা কৰিব পাৰে বা দীৰ্ঘস্থায়ী শান্তি উভতাই অনাৰ প্ৰয়াসত দেশসমূহৰ মাজত আন চুক্তিবোৰ চৰকাৰী পৰ্যায়ত সম্পাদন হ'ব পাৰে। অৱশ্যে কাকো ব্যক্তিগত ভাবে বন্দী কৰা চৰ্তাৱলী থাকিবনোৱাৰে, এনে কৰাটো সম্পূৰ্ণ ইছলামৰ পৰিপন্থী।

কোৰাণ শ্বৰিফত আল্লাহ তালাই পুনৰ কৈছে আনৰ সম্পতিৰ প্ৰতি

আমি ঈৰ্ষাৰ দৃষ্টি নিক্ষেপ কৰাটো উচিত নহয়। এয়া বিশ্ব শান্তিৰ এক সোণালী নীতি- যদি ইছলামৰ এই আদেশক মানি চলা হয়,কোনো মুছলিমে কেতিয়াও আনৰ মাটি, অঞ্চল বা ধন-সম্পতি দখল কৰা বিষয়টোত কোনো প্ৰশ্নকে উত্থাপন কৰিব নোৱাৰিব। কোৰাণ শ্বৰিফৰ ১০ নং অধ্যায়ৰ ১০০ নং আয়াতত আল্লাই কৈছে যে তেওঁ সৰ্বশক্তিমান, তেওঁ ইচ্ছা কৰিলে সমগ্ৰ বিশ্বকে ইছলাম গ্ৰহণ কৰাব পাৰে। তথাপি আল্লাই মানৱ জাতিক বাধ্য কৰা নাই তথা মহানবী(ছাঃ)য়ে নিৰ্দেশ দিছে যে ইছলামৰ বাণী প্ৰচাৰ কৰাৰ ক্ষেত্ৰত শক্তি প্ৰয়োগৰ অনুমতি দিয়া হোৱা নাই আৰু ধৰ্ম প্ৰতিজন ব্যক্তিৰ হৃদয় আৰু বিবেকৰ নিজা বিষয়। সেয়ে, ইয়াৰ পৰা স্পষ্ট যে কোনো পৰিস্থিতিত আন কোনো ব্যক্তিক ইছলাম বা সত্য কোনো ধৰ্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰাটো বৈধ নহয়। অৱশ্যে মুছলমান সকলক ইছলামৰ বাণী প্ৰচাৰ কৰিবলৈ কোৱা হৈছে, ইয়াকো বাধ্য-বাধকতাৰ মাজেৰে। সেয়েহে অধ্যায় ১৮ আয়াত ৩০ ত আল্লাই বিশ্ব নবী(ছাঃ)ক বিশ্বক জানিবলৈ দেখুৱাইছিল যে তেওঁলোকৰ পালনকৰ্তাৰ পৰা এটা সত্য আহিছে, যি সাফল্য আৰু সমৃদ্ধিৰ মাধ্যম তথা ইয়াক গ্ৰহণ কৰাৰ ক্ষেত্ৰত বা পৰিত্যাগ কৰাৰ ক্ষেত্ৰত তেওঁলোকক সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছিল। এই শব্দবিলাক সকলোৱে দেখিছে আৰু শুনাৰ বাবে স্ফটিকৰ দৰে স্পষ্ট। সকলো লোকে বিশ্বাস কৰিবলৈ বা বিশ্বাস নকৰাটো নিজৰ কথা। গতিকে যেতিয়া মহানবী(ছাঃ)য়ে দেখিছিল- কেৱল মাত্ৰ ইছলামৰ বাণী প্ৰেৰণ কৰা অনুমতি দিয়া হৈছিল তথা ইয়াৰ বাহিৰে আন একো নাছিল। তেন্তে, কেনেকৈ আজিৰ তথাকথিত মুছলমান নেতাই ইয়াক অমান্য কৰিব পাৰে, তেওঁলোকে ভাবিব পাৰে নেকি ইছলামৰ নবীতকৈ তেওঁলোকৰ অধিক ক্ষমতা আৰু অধিকাৰ আছে?

সেয়েহে পৱিত্ৰ কোৰাণ বিভিন্ন আয়াতৰ ওপৰত ভিত্তি কৰি মই সংক্ষেপতে ইছলামৰ শিক্ষাৰ সংক্ষিপ্ত সাৰমৰ্ম ঘোষণা কৰিছোঁ। এইবিলাকে প্ৰমাণ কৰে যে কিছুমান মুছলমান সংগঠনে এনেধৰণৰ যিবিলাক জাতি সত্বাৰ মাজেৰে পৰিচালিত তেওঁলোকে কৰা নিষ্ঠুৰতাৰ কাৰ্যবোৰ সম্পূৰ্ণ

ইছলামৰ পৰিপন্থী।

আপুনি কিয় ভাবিছে— যদি সেয়া ইছলামৰ শিক্ষাৰ বিৰোধী, তেওঁলোকে এনেদৰে আচৰণ কৰিছে। ইয়াৰ সহজ উত্তৰ— মই আগতেই কৈছো যে তেওঁলোকে মাথো তেওঁলোকৰ পাৰ্থিৱ স্বাৰ্থপূৰণৰ বাবে এইবোৰ কৰিছে। তেওঁলোকৰ লক্ষ্য মুঠেই আধ্যাত্মিক বা ধৰ্মীয় নহয়। তেওঁলোকে নিষ্ঠুৰতা আৰু ৰক্তপাতৰ মাজেৰে ধৰ্মৰ নামত মাথো পাৰ্থিৱ সম্পদ আহৰণ কৰিব বিচাৰিছে।

মই পুনৰ ক'ব বিচাৰিছোঁ যে কোনো আহমদীয় মুছলমান বা প্ৰকৃত কোনো শান্তিকামী মুছলমানে অতি দুখ অনুভৱ কৰিব যে তেওঁলোকৰ প্ৰকৃত ধৰ্মক অন্যায় পথত কলুষিত আৰু শোষণ কৰা হৈছে। গতিকে মই এতিয়া সেই ব্যক্তিসকলক বা সংস্থাবোৰক বা ৰাজনীতিবিদসকলক প্ৰশ্ন কৰিব বিচাৰো চৰমপন্থী গোষ্ঠীবিলাকৰ অত্যাচাৰত ইছলাম হিংসাৰ ধৰ্ম হৈ পৰিছে, প্ৰকৃততে ইছলাম এয়া নে?

মই তেওঁলোকক সুধিব বিচাৰো যে এই সংস্থাবোৰে কেনেকৈ ইমান সম্পদৰ অধিকাৰী হৈ পৰে, যাৰ দ্বাৰা তেওঁলোকে ইমানদিন ধৰি সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই গৈছে, যুদ্ধৰ পিছত যুদ্ধ কৰি গৈছে? তেওঁলোকৰ অস্ত্ৰ শিল্প বা কাৰখানা আছে নেকি? তেওঁলোকে কেনেকৈ ইমান অত্যাধুনিক অস্ত্ৰ লাভ কৰিছে?এয়া অতি সুস্পষ্ট যে তেওঁলোক নিৰ্দিষ্ট শক্তিৰ সহায় আৰু সমৰ্থন লাভ কৰিছে। এয়া সম্ভৱ তেল সমৃদ্ধ মুছলিম ৰাষ্ট্ৰবিলাকৰ সচৰাচৰ সমৰ্থন হ'ব পাৰে নতুবা গোপন সহায় প্ৰদান কৰা কোনোবা শক্তি হ'ব পাৰে।

আই এছ আই এছে যেতিয়া সৰ্বাধিক পৰিচিতি লাভ কৰিছিল তেতিয়া কোৱা হৈছিল তেওঁলোকে ৰাষ্ট্ৰীয় সেনাবাহিনীৰ অস্ত্ৰ গ্ৰহণ কৰিছিল আৰু কিছু অস্ত্ৰ ভাণ্ডাৰ দখল কৰিছিল। এয়া সত্য তেতিয়া হ'ব পাৰে যেতিয়া তেওঁলোকৰ পক্ষত এতিয়াও বিৰতিহীন ভাবে নিজৰ কাৰ্যসূচী পৰিচালিত কৰাটো যথেষ্ট নহ'ব। যদি সদায় সেনাবাহিনীৰ

সৰবৰাহৰ লাইন কাটি পেলোৱা হয় তেন্তে তেওঁলোকৰ প্ৰতি সৰবৰাহ কৰাটো অসম্ভৱ হৈ পৰিব। কিন্তু এতিয়াও আইছিছৰ সৰবৰাহৰ সূত্ৰ বৃদ্ধি ঘটা বুলি ধাৰণা হয়।

কোৱা হৈছে যে এতিয়া আইছিছ বিমান বিৰোধী ক্ষেপণাস্ত্ৰ আৰু আন অত্যাধুনিক অস্ত্ৰৰ অধিকাৰী। এই সকলো বিলাক তথ্যই আইছিছক সমৰ্থন কৰে আৰু এনে এটা সৰবৰাহৰ সূত্ৰ থকাটো নিৰ্দেশ কৰে বা তেওঁলোকৰ প্ৰতি বাহ্যিক সমৰ্থন আছে। বহুতো কৰ্মকৰ্তা, বিশ্লেষণকাৰী আৰু প্ৰশ্নকৰ্তাই এই তথ্যৰ প্ৰতি নিজৰ সমৰ্থন প্ৰকাশ কৰিছে। উদাহৰণ স্বৰূপে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চৰকাৰ জ্যেষ্ঠ প্ৰতিনিধি ডেভিদকোহেন, যি সন্ত্ৰাসবাদ আৰু আৰ্থিক গুপ্তচৰ বিভাগৰ আভ্যন্তৰীণ সচিব আছিল, তেওঁ মুকলিকৈ কৈছে “ আইছিছ হৈছে আমাৰ সকলোতকৈ আৰ্থিক স্বচ্ছল সন্ত্ৰাসবাদী দ’ল। তেওঁলোকে যি ব্যয় কৰিছে সেয়া মাহত ১০ মিলিয়ন ডলাৰ তথা কলা বজাৰত তেল বিক্ৰী কৰি প্ৰতিদিনে এক মিলিয়ন ডলাৰ উপাৰ্জন কৰে।’

আমি সুধিব বিচাৰো তেওঁলোকে ক’ত, কেনেকৈ, কিদৰে ইমান বৃহৎ সংখ্যক তেল নিয়াৰ বাবে নিৰবিচ্ছিন্ন প্ৰৱেশাধিকাৰ লাভ কৰিছে? বিশ্বৰ আন আন অঞ্চল তেল পৰিবহন আৰু বিক্ৰীক তদাৰক কৰা হৈছে আৰু তেল বিক্ৰী কৰা বহুকেইখন ৰাষ্ট্ৰৰ বিৰুদ্ধে নিষেধাজ্ঞা প্ৰদান কৰা হৈছে। তেন্তে কি ধৰণে আইছিছে সকলো বাধা অতিক্ৰম কৰি প্ৰচুৰ পৰিমাণৰ তেল অৰ্জন আৰু বিক্ৰী কৰিবলৈ সক্ষম হৈছে বুলি অনুভৱ হয়, আমি সকলোৱে জানো যে ইমান বৃহৎ পৰিমাণৰ তেলৰ ব্যৱসায় গোপনে কৰাটো সহজ কথা নহয়। লগতে ইয়াকো কোৱা হৈছে যে আইছিছে মুক্তিপনৰ মাজেৰে নিয়মিত আয় অৰ্জন কৰে, গতিকে এয়া অন্যান্য আয়ৰ তুলনাত অতি সামান্য পৰিমাণৰ। এই গোষ্ঠীবিলাক অৰ্থায়ন এটা অতি সমস্যাৰ কাৰণ- তেওঁলোকে সম্পতিৰ দ্বাৰা দুৰ্বল ব্যক্তি বা দ’লক চিকাৰ কৰিবলৈ সক্ষম হয়। উদাহৰণ হিচাপে সাম্প্ৰতিক এক প্ৰতিবেদনত কোৱা হৈছে যে কোনো পৰিয়ালৰ এজন সদস্য যদি আইছিছত যোগ দিবলৈ প্ৰেৰণ

কৰে সেই পৰিয়ালক প্ৰাথমিক একক হিচাপে হাজাৰ হাজাৰ ডলাৰ আৰু তাৰ পিছত নিয়মিত ভাবে বহু পৰিমাণৰ ডলাৰ প্ৰদান কৰা হয়। সেয়ে এই গোটবিলাকৰ উপাৰ্জন জৰুৰী ভাবে বন্ধ কৰিবলৈ কিবা এটা কৰাৰ প্ৰয়োজনতা আহি পৰিছে। পাশ্চত্যই এতিয়া বুজিব পাৰিছে আৰু স্বীকাৰ কৰিবলৈ আৰম্ভ কৰিছে যে এয়া এনে এখন যুদ্ধ যি বাস্তৱৰ ওপৰত সচৰাচৰ প্ৰভাৱ পেলাইছে। যিকি নহওঁক ইয়াক অতি কমকৈ অনুমান কৰা সত্যটো হৈছে— এই যুদ্ধ সমগ্ৰ বিশ্বৰ বিৰুদ্ধে।

দৈনিক চৰ্চাৰ বিষয় হিচাপে আমি লক্ষ্য কৰিছোঁ যে প্ৰধান শক্তিবোৰে বিভিন্ন বিষয়ত মুছলিম দেশসমূহক নীতিৰ দ্বাৰা গভীৰ ভাবে প্ৰভাৱিত কৰে বা নিয়ন্ত্ৰিত কৰাত সক্ষম হয়। সেই কাৰণে প্ৰশ্ন উত্থাপন হৈছে যে তেওঁলোকে নিজৰ প্ৰভাৱক ইয়াত কিয় বৃদ্ধি কৰা নাই, য'ত সেয়া প্ৰকৃততে প্ৰয়োজন আছে?

কিয় সকলো বিলাক উগ্ৰপন্থীৰ প্ৰত্যাহ্বানৰ বাবে যৌথ আৰু ঐক্যবদ্ধ ভাবে, একেলগে প্ৰচেষ্টা গ্ৰহণ কৰা হোৱা নাই? এতিয়ালৈকে যি প্ৰয়াস কৰা হৈছে সেইবিলাকে এই গোটবোৰৰ ধ্বংসৰ তুলনাত একেবাৰে সীমিত। মোৰ বিবেচনাত যিবোৰ সংঘটিত হৈ আহিছে সেইবোৰ একমাত্ৰ মুছলমান জগতৰ ভুল, যিহেতু বাহিৰৰ শক্তি আৰু ক্ষমতাই ইয়াত সহযোগিতা কৰি আহিছে।

বছৰ বছৰ ধৰি ইৰাক আৰু ছিৰিয়াৰ দৰে দেশত আভ্যন্তৰীণ সংঘৰ্ষ হৈ আহিছে। বাহিৰৰ শক্তিসমূহে ধন-সম্পত্তি,অস্ত্ৰ-শস্ত্ৰ বা বিদ্ৰোহী গোষ্ঠীৰ সমৰ্থন আৰু গোষ্ঠীবিলাকে দ্ৰুত বিকাশ লাভ কৰিছে আৰু তেওঁলোক অৰ্থ লাভৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিছে। তেওঁলোকে উগ্ৰপন্থীৰ মতাদৰ্শৰ ভিত্তিত সৰ্বনাশ চলাই আহিছে আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই গৈছে। ইয়াক উল্লেখ কৰি মই এনে কোনো কথা কোৱা নাই যি বিলাক এতিয়া ৰাজহুৱা স্বাৰ্থ জড়িত নহয়, মুকলি ভাবে সংবাদ মাধ্যমৰ দ্বাৰা প্ৰকাশ কৰা নাই। আইছিছৰ দৰে উগ্ৰপন্থীৰ গোটবিলাক এই

ধৰণৰ নীতিবোৰৰ এটা অংকুৰ আৰু এতিয়া তেওঁলোকৰ সন্ত্ৰাস নেটৱৰ্কবোৰ সূদূৰ প্ৰসাৰিত কৰিছে আৰু সমগ্ৰ বিশ্ব প্ৰভাৱিত হৈছে।

পুনৰ মই ক'ব বিচাৰো যে এয়া মোৰ বাবে অতি বেদনাৰ আৰু উদ্বেগৰ কাৰণ যে এই সকলো দুষ্ট কাম ইছলামৰ লগত জড়িত। সম্প্ৰতি এয়া অতি উদ্বেগৰ কাৰণ যে পশ্চিমৰ পৰা মুছলিম যুৱকসকল ছিৰিয়া আৰু ইৰাকৰ দৰে দেশ ভ্ৰমণ কৰিছে য'ত তেওঁলোকক উগ্ৰপন্থী হিচাপে নিৰ্মাণ কৰা হৈছে। এয়া এই কাৰণে সম্ভৱ হৈছে তেওঁলোকে শেষত উভতি আহি নিজৰ দেশত আক্ৰমণ কৰিবলৈ বা বিশ্বৰ উক্ত অঞ্চলত ভয়ংকৰ কাৰ্য সংঘটিত কৰিব পাৰে। গতিকে, এয়া স্পষ্ট যে এয়া এতিয়া স্থানীয় মুছলমানসকলৰ বিষয় হৈ থকা নাই, এয়া আন্তঃৰাষ্ট্ৰীয় বিষয় যি এই উগ্ৰপন্থী সংগঠন বিলাক বন্ধ কৰাৰ বাবে এক বিশ্বজুৰা সন্মিলিত প্ৰচেষ্টাৰ প্ৰয়োজন হৈছে। কিছু সংখ্যক বিশিষ্ট ব্যক্তিয়ে পৰামৰ্শ দিছে যে উগ্ৰপন্থীসকলৰ লগত যুদ্ধ আৰম্ভ কৰিবলৈ ৩০ বছৰ নতুবা ১০০ বছৰ লাগিব। ব্যক্তিগত ভাবে মই বিশ্বাস কৰো বিশ্বই যদি তেওঁলোকক নিৰ্মুল কৰাৰ বাবে দৃঢ় প্ৰতিজ্ঞা হৈ পৰে তেন্তে সন্ত্ৰাসবাদ বা উগ্ৰপন্থী গোষ্ঠীবোৰ অতি কম সময়ৰ ভিতৰত বন্ধ কৰিব পৰা যাব। আমাৰ এই যুদ্ধ অৱসান ঘটাবলৈ কেইবা দশক সময় লাগিব বুলি কেৱল আমাৰ ব্যক্তিগত দায়ৱদ্ধতাৰ পৰা মুক্ত হোৱা উচিত নহয়। বৰঞ্চ সমগ্ৰ বিশ্বত উগ্ৰবাদ শেষ কৰিবলৈ কৰা প্ৰয়াসত আমি সহযোগ কৰিব লাগিব। কেৱল মাত্ৰ ইছলাম বা নিৰ্দিষ্ট গোষ্ঠীৰ ওপৰত সকলো দুখ জাপি দি আমি হাত সাৱতি বহি থাকিলে নহ'ব। আমি আমাৰ দায়ৱদ্ধতাৰ ৰেহাই লাভ নকৰিম।

গতিকে সকলো শান্তিকামী জনসাধাৰণে নিজৰ নিজৰ চৰকাৰক হেঁচা দিয়া উচিত, অৱশ্যে সকলো ৰাজনীতিবিদ তথা প্ৰভাৱশালী ব্যক্তিসকলে ইয়াক প্ৰতিফলিত কৰিব লাগিব, তেওঁলোকৰ প্ৰভাৱৰ জড়িয়তে সত্য ন্যায় -বিচাৰ প্ৰচাৰ কৰি বিশ্বক ধ্বংসৰ পৰা ৰক্ষা কৰিব লাগিব। সম্পূৰ্ণ শান্তিৰে পদক্ষেপ গ্ৰহণ কৰি বিশ্বত শান্তি বিকাশৰ চেষ্টা

কৰা উচিত। আমি যদি বিশ্ব ৰক্ষা কৰিব বিচাৰো সমাজৰ প্ৰতিটো স্তৰত প্ৰকৃত ন্যায় বিচাৰ প্ৰদৰ্শন কৰিব লাগিব। লগতে প্ৰতিখন দেশত যিবোৰ সমস্যা দেখা গৈছে তাক এক নিখুঁত ভাবে সমাধান কৰা উচিত যি হতাশাৰ কাৰণ হৈ পৰিছে।

কোনো দেশৰ সম্পদ ঈৰ্ষাৰ মাজেৰে চোৰাটো উচিত নহয় তথা এখনে আনখনক সহায় কৰাৰ বাবে পাৰস্পৰিক নীতিবোৰ প্ৰস্তুত কৰা উচিত। সকলোতকৈ ডাঙৰ কথাটো বিশ্বই বুজিব লাগিব যে যি এটা এটাকৈ স্ৰষ্টাক পাহৰি গৈছে আৰু তেওঁলোক অৱশ্যেই তেওঁৰ ওচৰলৈ উভতি আহিব লাগিব। এয়া যেতিয়াই হ'ব তেতিয়াই সঁচাকৈ শান্তি প্ৰতিষ্ঠা হ'ব আৰু ইয়াৰ বাহিৰে শান্তিৰ কোনো নিশ্চয়তা নাথাকিব।

মই ইয়াৰ আগতো এখন বিশ্ব যুদ্ধৰ ভয়াবহ পৰিণতিৰ বিষযে উল্লেখ কৰিছোঁ। সম্ভৱ এনেধৰণৰ কাণ্ডৰ পিছত কেৱল বিশ্বই উচ্চতৰ উচ্চ ভিলাষ তথা স্বাৰ্থন্বেষী স্বাৰ্থ পূৰণৰ বাবে প্ৰস্তুত কৰা অন্যায় নীতিবিলাকৰ ধ্বংসাত্মক ফলাফলবোৰ উপলব্ধি কৰিব। মই আশা কৰো আৰু দোৱা কৰো যে এনেধৰণৰ দুৰ্যোগে দেখা দিয়াৰ আগতে বিশ্বই প্ৰকৃত জ্ঞানক উপলব্ধি কৰক। মই আশা কৰো আৰু দোৱা কৰো পৃথিৱীয়ে নিজৰ সৃষ্টিকৰ্তাক স্বীকৃতি তথা গ্ৰহণ কৰিবলৈ সক্ষম হওঁক। এই কথাখিনি ব্যক্ত কৰাৰ পিছতেই মই আপোনালোকৰ পৰা বিদায় ল'ব বিচাৰিম। আপোনালোক সকলোলৈকে অশেষ ধন্যবাদ।